**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-09-2023
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

Headlines

১। চাহ শ্ৰমিকৰ মজুৰি ১৮ টকাকৈ বৃদ্ধি, ২০ শতাংশ পূজাৰ বোনাচ দিয়াৰ বাবে ৰাজ্যিক কেবিনেটৰ সিদ্ধান্ত।

২। চৰকাৰী বিদ্যালয়ৰ পৰা উত্তীৰ্ণ শিক্ষাৰ্থীৰ বাবে চিকিৎসা বিজ্ঞান আৰু অভিযান্ত্ৰিক পাঠ্যক্ৰমত ৫ শতাংশ আসন সংৰক্ষণ।

৩। ৰাজ্যৰ চৰকাৰী কৰ্মচাৰী আৰু পেঞ্চনাৰৰ চিকিৎসা বিল পৰিশোধৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মুখ্যমন্ত্ৰী লোকসেৱক আৰোগ্য যোজনা মুকলি।

৪। এছিয়ান গেমছৰ বক্সিঙৰ ছেমিফাইনেলত আজি অসম কন্যা লাভলীনা বৰগোহাঁইৰ খেল।

*আৰু*

৫। বিশ্বকাপ ক্ৰিকেটৰ প্ৰস্তুতি মেচত আজি তিৰুৱনন্তপুৰমত ভাৰত নেডালেণ্ডছৰ মুখামুখি।

০০০০০০০

ৰাজ্য চৰকাৰে যোৱা ১ অক্টোবৰৰ পৰা কাৰ্যকৰী হোৱাকৈ চাহ শ্ৰমিকৰ মজুৰী ১৮ টকাকৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। তদুপৰি চাহ শ্ৰমিকসকলক পূজাৰ বোনাচ ২০ শতাংশকৈ দিয়াৰ বাবেও চৰকাৰে সিদ্ধান্ত লৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি গুৱাহাটীৰ গান্ধী মণ্ডপত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। কেবিনেটে গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি ব্ৰহ্মপুত্ৰ উপত্যকাৰ চাহ শ্ৰমিকসকলৰ দৈনিক মজুৰী পূৰ্বৰ ২৩২ টকাৰ পৰা ২৫০ টকালৈ বৃদ্ধি কৰা হৈছে। আনহাতে, বৰাক উপত্যকাৰ চাহ শ্ৰমিকৰ মজুৰী দৈনিক ২১০ টকাৰ পৰা ২২৮ টকালৈ বৃদ্ধি কৰা হৈছে। অসম চাহ নিগমৰ অধীনৰ বাগিছাৰ শ্ৰমিকসকলক ৰাজ্য চৰকাৰে ২০ শতাংশ হাৰত বোনাচ দিব। ৰাজ্যৰ চৰকাৰী চাকৰিত চাহ শ্ৰমিকৰ পৰিয়াল আৰু আদিবাসীৰ বাবে ৩ শতাংশ আসন সংৰক্ষণৰ সিদ্ধান্তও কেবিনেটে গ্ৰহণ কৰিছে। ৰাজ্য চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ বাবে এই সংৰক্ষণ বাহাল থাকিব। এই সংৰক্ষণ ব্যৱস্থা তাৎক্ষণিকভাৱে কাৰ্যকৰী কৰি অহা ৭ অক্টোবৰত প্ৰকাশ পাবলগীয়া আৰক্ষীৰ খালী পদৰ নিযুক্তিৰ ক্ষেত্ৰত প্ৰযোজ্য কৰা হ'ব। কালিৰ বৈঠকে বজালী জিলা পুনৰ গঠনৰো সিদ্ধান্ত গ্ৰহণ কৰে। ভৱানীপুৰ আৰু সৰভোগ, বৰপেটা নে বজালী জিলাত চামিল হ'ব সেই বিষয়ে পাছত সিদ্ধান্ত লোৱা হ'ব বুলি কেবিনেটে ঠিৰাং কৰে। বৈঠকত চৰকাৰী বিদ্যালয়ৰ পৰা উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীৰ বাবে চিকিৎসা বিজ্ঞান আৰু অভিযান্ত্ৰিক পাঠ্যক্ৰমত ৫ শতাংশ আসন সংৰক্ষণৰো মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰে। মৰাণ আৰু মটক জনগোষ্ঠীৰ বাবে অসম অসামৰিক সেৱা আৰু আৰক্ষী সেৱাত একোটাকৈ পদ সংৰক্ষণ কৰাৰ বাবেও সিদ্ধান্ত লোৱা হৈছে। শিক্ষা বিভাগত সংস্কাৰৰ বাবে নতুন অধ্যাদেশকে ধৰি কেইবাটা বিষয়তো কালি কেবিনেটে অনুমোদন জনায়। পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল

হ'লে সময়মতে নিষ্পত্তি নোহোৱা বিষয়টোৰ প্ৰতি লক্ষ্য ৰাখি এই ক্ষেত্ৰত সংস্কাৰৰ বাবে নতুন অধ্যাদেশৰ বাবে মন্ত্ৰীসভাই অনুমোদন জনায়। কেবিনেটে পৌৰসভাৰ ছাফাই কৰ্মীসকলক বিশেষ বীমা প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰে। বৈঠকত এতিয়াৰে পৰা ২৫০ মিলিলিটাৰৰ খোৱা পানীৰ বটল বন্ধ কৰিবলৈও বৈঠকত সিদ্ধান্ত লোৱা হয়।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ৰাজ্যৰ চৰকাৰী কৰ্মচাৰী, পেন্সনাৰসকলৰ চিকিৎসাৰ সুবিধাৰ বাবে মুখ্যমন্ত্ৰী লোকসেৱক আৰোগ্য যোজনাৰ শুভাৰম্ভ কৰে। কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে এই সেৱা মুকলি কৰে। উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে, চৰকাৰী কৰ্মচাৰী পেন্সনাৰসকলৰ চিকিৎসাৰ ৰিএম্বাৰ্ছমেণ্টৰ ক্ষেত্ৰত স্বচ্ছ আৰু মসৃণ ব্যৱস্থা গ্ৰহণৰ পদক্ষেপ লোৱা হৈছিল। কিয়নো চৰকাৰী কৰ্মচাৰীৰ মাজৰেই একাংশই চিকিৎসাৰ বিল পৰিশোধ তথা পেন্সন লাভৰ ক্ষেত্ৰত নানা জটিলতাৰ সৃষ্টি হৈছিল। ৰাজ্য চৰকাৰে পেন্সন ব্যৱস্থা সম্পূৰ্ণ স্বচ্ছ কৰাৰ বাবে অনলাইন প'ৰ্টেল খুলিছে আৰু চিকিৎসাৰ বিল সময়মতে লাভ কৰাৰ বাবে মুখ্যমন্ত্ৰী লোকসেৱক আৰোগ্য যোজনা আৰম্ভ কৰিছে। এই যোজনাৰ অধীনত অনলাইন প'ৰ্টেল যোগে চিকিৎসাৰ ব্যয় পৰিশোধ কৰিব পাৰিব। এই সুবিধা গ্ৰহণ কৰিবলৈ চৰকাৰী কৰ্মচাৰীসকলক শীঘ্ৰেই প'ৰ্টেলত নাম পঞ্জীয়ন কৰাৰ লগতে তেওঁৰ ওপৰত নিৰ্ভৰশীল পৰিয়ালৰ সদস্যৰ নামো পঞ্জীয়ন কৰিবলৈ আহ্বান জনায়। ৰাজ্যৰ সকলো চৰকাৰী কৰ্মচাৰী আৰু পেন্সনাৰসকলক এই যোজনাৰ হিতাধিকাৰী ৰূপে যোগ্য বিবেচিত কৰা হ'ব। ন্যূনতম যোগ্যতা থকা এজন কৰ্মচাৰী, পেন্সনাৰৰ দ্বাৰা নিজ পছন্দৰ চিকিৎসালয়ত চিকিৎসা লাভৰ সুবিধা লাভ কৰাৰ উপৰি হিতাধিকাৰীলৈ নিয়মীয়াকৈ এছ এম এছ যোগে আপডেট প্ৰদান কৰা হ'ব। এই যোজনাখনত আগতীয়া আৰু আংশিক পৰিশোধৰ ব্যৱস্থা থকাৰ উপৰি হিতাধিকাৰীৰ বেংক একাউণ্টত পোনপটীয়াকৈ সময় নিৰ্ধাৰিত চিকিৎসা ব্যয় পৰিশোধৰ ব্যৱস্থা থাকিব।

মুখ্যমন্ত্ৰী লোকসেৱা আৰোগ্য যোজনা সম্পৰ্কে আলোকপাত কৰি ড০ শৰ্মাই কয় যে, এই ব্যৱস্থা অনুসৰি অনলাইন আই টি প'ৰ্টেলৰ জৰিয়তে চৰকাৰী কৰ্মচাৰী, পেন্সনাৰ আৰু তেওঁলোকৰ ওপৰত নিৰ্ভৰশীল লোকৰ ব্যয় কেন্দ্ৰীয় চৰকাৰৰ স্বাস্থ্য আঁচনিৰ সমহাৰত পৰিশোধ কৰা হ'ব। আই টি প'ৰ্টেলৰ জৰিয়তে সমগ্ৰ চিকিৎসাৰ ব্যয় পৰিশোধৰ প্ৰক্ৰিয়াটো ৰূপায়ণ হ'ব যদিও বৰ্তমান মেনুৱেল ব্যৱস্থাটো এই আঁচনি চলি থাকিব বুলি তেওঁ মন্তব্য কৰে। জিলা আয়ুক্ত কাৰ্যালয়ৰ কিয়স্কৰ সহায়ত এই আঁচনিৰ অধীনত পঞ্জীয়ন কৰিব পাৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে, এই যোজনা ৰূপায়ণৰ বাবে ৰূপায়ণ সহায়ক সংস্থা নিৰ্বাচিত কৰা হৈছে। পৰিশোধৰ দাবীৰ যথাৰ্থতা নিৰীক্ষণ, অনুশীলন হিতাধিকাৰী পৰ্যায়ত স্বতন্ত্ৰ নিৰীক্ষণ সংস্থাই চলাব। পৰিশোধৰ প্ৰক্ৰিয়াটো যাতে সুচল হয় তাৰ বাবে চিকিৎসা ব্যয় পৰিশোধৰ দাবীৰ ক্ষেত্ৰত মাত্ৰ এখনহে এডমিচিবিলিটি ব'ৰ্ডৰ চূড়ান্ত অনুদানৰ প্ৰয়োজন হ'ব বুলি তেওঁ উল্লেখ কৰে। জটিল ৰোগত আক্ৰান্তসকলক চিকিৎসা ব্যয়ৰ বাবে আগধন দিবলগীয়া হ'লে তেওঁলোকে প'ৰ্টেলতে আবেদন কৰিব লাগিব। অহা ১ এপ্ৰিলৰ পৰা এই প'ৰ্টেলত নাম পঞ্জীয়ন কৰিব পাৰিব আৰু চিকিৎসা মহাবিদ্যালয়, বি বৰুৱা কৰ্কট প্ৰতিষ্ঠান আৰু এইমছ আদি চৰকাৰী চিকিৎসালয়ত নগদ বিহীন চিকিৎসা ব্যয় পাবলৈ সক্ষম হ'ব।

০০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসমত দিব্যাংগসকলৰ বাবে বিশ্ববিদ্যালয় গঢ়ি তোলাৰ বিষয় সন্দৰ্ভত ৰাজ্য চৰকাৰে বিবেচনা কৰিব বুলি মত প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে কালি ধাৰাপুৰত মূকবধিৰ শিশুৰ বাবে

আয়োজিত ২২ সংখ্যক দক্ষতা বিকাশ শিবিৰত অংশগ্ৰহণ কৰি এই কথা প্ৰকাশ কৰিছে। দেশৰ বিভিন্ন প্ৰান্তৰ পৰা অহা বিশেষভাৱে সক্ষম শিশুৰ উদ্যমিতা আৰু আত্মনিয়োগৰ সুযোগ প্ৰদান কৰাৰ উদ্দেশ্যেৰে আয়োজিত এই চাৰি দিনীয়া কৰ্মশালাত দক্ষতা বিকাশৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়।

সভাত ভাষণ দি মুখ্যমন্ত্ৰীয়ে ৫৫০ গৰাকী বিশেষভাৱে সক্ষম শিশুক দক্ষতা বিকাশৰ প্ৰশিক্ষণ দিয়াৰ বাবে আয়োজকসকলক কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ কয় যে, বিষয় সন্দৰ্ভত জ্ঞাত হোৱাৰ লগতে প্ৰয়োজনীয় চিকিৎসা নীতি মানি চলিলে দেশৰ এক নিৰ্দিষ্ট অংশৰ শিশুৰ শ্ৰৱণ ক্ষমতাৰ ক্ষেত্ৰত দেখা দিয়া সমস্যা আতৰ কৰিব পৰা যাব। এনে দিশত অভিযানমূলকভাৱে সজাগতা সৃষ্টি কৰাৰ প্ৰয়োজন আছে বুলিও তেওঁ উল্লেখ কৰে। শ্ৰৱণ ক্ষমতা হীনতাৰ চিকিৎসাত কক্লিয়াৰ ইমপ্লাণ্টৰ উপযোগিতাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে অসমত এনে ধৰণে আক্ৰান্ত হোৱা শিশুক বিনামূলীয়া চিকিৎসা প্ৰদান কৰা হৈছে বুলি উল্লেখ কৰে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লাভ কৰা স্মৃতিচিহ্নসমূহৰ কালিৰে পৰা সাধাৰণ জনতাৰ বাবে ই-নিলাম মুকলি কৰা হৈছে বুলি সাংস্কৃতিক মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। অহা ৩১ অক্টোবৰলৈকে ইয়াৰ বাবে নিবিদা গ্ৰহণ কৰা হ'ব। জনসাধাৰণে ইয়াত অংশগ্ৰহণ কৰিবলৈ ৱেৱছাইট pmmementos.gov.in ত পঞ্জীয়ন কৰিব পাৰিব। এই নিলামৰ পৰা সংগৃহীত ধন গংগা পুনৰুজ্জীৱিতকৰণ প্ৰকল্প নমামী গংগালৈ আগবঢ়োৱা হ'ব। এই নিলামৰ পঞ্চম সংস্কৰণত ই-নিলামৰ বাবে ১০০ টকাৰ পৰা ৬৫ লাখ টকালৈ স্মৃতিচিহ্নসমূহ উপলব্ধ হ'ব। নতুন দিল্লীৰ নেচনেল গেলাৰী অৱ মডাৰ্ণ আৰ্টত স্মৃতিচিহ্নসমূহৰ এখন প্ৰদৰ্শনীও আয়োজন কৰা হৈছে। এই প্ৰদৰ্শনীত ১৫০ টাতকৈও অধিক উল্লেখযোগ্য স্মৃতিচিহ্ন আছে, যিয়ে ৰাষ্ট্ৰৰ সাংস্কৃতিক সজীৱতাৰ আভাস দিয়ে।

সাংস্কৃতিক ৰাজ্যমন্ত্ৰী মিনাক্ষী লেখীয়ে কয় যে এই স্মৃতিচিহ্নসমূহে আমাৰ চহকী সাংস্কৃতিক ঐতিহ্যক প্ৰতিফলিত কৰে। তেওঁ এই ই-নিলামত সকলোকে অংশগ্ৰহণ কৰিবলৈ অনুৰোধ জনায়।

প্ৰধানমন্ত্ৰী মোদীয়ে লাভ কৰা ৯১২ টাতকৈ অধিক উপহাৰ ই-নিলামৰ বাবে ৱেৱছাইটত উপলব্ধ হ'ব। এই স্মৃতিচিহ্নসমূহৰ দ্বাৰা চিত্ৰকলা, ভাস্কৰ্য্য, থলুৱা হস্তশিল্প, মনোমোহা লোকশিল্প আৰু জনজাতীয় শিল্পকে ধৰি এক পৰম্পৰাগত শিল্পৰ প্ৰদৰ্শন কৰা হৈছে। এই সামগ্ৰীসমূহৰ ভিতৰত কিছুমান গতানুগতিকভাৱে লাভ কৰা সন্মান আৰু শ্ৰদ্ধাৰ প্ৰতীক য'ত পৰম্পৰাগত অংগবস্ত্ৰ, মূৰত মৰা পাগুৰি আৰু আনুষ্ঠানিক তৰোৱাল আদিও আছে।

০০০০০০০০

ৰাজ্যৰ মহিলা আৰু শিশু বিকাশ বিভাগে আন্তৰ্জাতিক কন্যা শিশু দিৱসৰ সৈতে সংগতি ৰাখি চাহ বাগিছা অঞ্চলত মাহজোৰা কাৰ্যসূচী ৰূপায়ণ কৰিব। যোৰহাটৰ মৰিয়ণিৰ সোণোৱাল চাহ বাগিছাত আজি দিনৰ ১১ বজাত হ'বলগীয়া এটা বিশেষ অনুষ্ঠানত এই কাৰ্যসূচী মুকলি কৰা হ'ব। ৰাজ্যৰ মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অজন্তা নেওগ মুখ্য অতিথি হিচাপে উপস্থিত থাকিবলগীয়া অনুষ্ঠানত জনসজাগতা সভাৰো আয়োজন কৰা হৈছে। অনুষ্ঠানত সাংসদ কামাখ্যা প্ৰসাদ তাছা, তপন কুমাৰ গগৈৰ লগতে কেইবাগৰাকীও বিধায়কো উপস্থিত থাকিব। আনহাতে, শোণিতপুৰৰ ৰঙাপৰাৰ ফুলবাৰী চাহ বাগিচাতো কাইলৈ দিনৰ ১১ বজাত আন্তৰ্জাতিক কন্যা শিশু দিৱসৰ লগত সংগতি ৰাখি বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ৰাজ্যৰ মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অজন্তা নেওগ মুখ্য অতিথি হিচাপে উপস্থিত থাকিবলগীয়া অনুষ্ঠানত গৃহ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী অশোক সিংহাল উপস্থিত থাকিব। অনুষ্ঠানত সাংসদ পল্লৱলোচন দাসৰ লগতে কেইবাগৰাকীও বিধায়ক উপস্থিত থাকিব। অনুষ্ঠানৰ লগত সংগতি ৰাখি মুকলি কুইজ প্ৰতিযোগিতা বাগানৰ

পৰম্পৰাগত খেল-ধেমালি আৰু নৃত্য-গীত, ৰক্তহীনতা চিনাক্তকৰণ শিবিৰ আৰু শিশু, সুৰক্ষা আৰু পৰিপুষ্টি সম্পৰ্কীয় আলোচনা অনুষ্ঠিত হ'ব।

০০০০০০০০

যোৰহাটৰ চিনামৰা মহাবিদ্যালয়ৰ উদ্যোগত আৰু ইউনেস্ক' এছ'চিয়েচন, গুৱাহাটীৰ সহযোগত কালি চিনামৰা মহাবিদ্যালয় প্ৰেক্ষাগৃহত নৱম বাৰ্ষিক মহাত্মা গান্ধী স্মাৰক বক্তৃতা সভা অনুষ্ঠিত হয়। অনুষ্ঠানত মুম্বাইৰ এম ডি শ্বাহ মহিলা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকা ড° ৰঞ্জনা মিশ্ৰ, যোৰহাটৰ বিশিষ্ট উদ্যোগপতি ওম প্ৰকাশ গাট্টানী, কলিকতা বিশ্ববিদ্যালয়ৰ অধ্যাপক অনিল কুমাৰ সৰকাৰ আৰু কটন বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক মন্‌জিৎ হাজৰিকাক বঁটা প্ৰদান কৰা হয়।

০০০০০০০০

চীনৰ হাংঝৌত চলি থকা এছিয়ান গেমছৰ কালি নৱম দিনা ভাৰতে তিনিটা ৰূপ আৰু চাৰিটা ব্ৰঞ্জৰ পদক লাভ কৰিছে। ইয়াকে লৈ ভাৰতে ১৩টা সোণ, ২৪টা ৰূপ আৰু ২৩টা ব্ৰঞ্জৰ পদকসহ এতিয়ালৈকে মুঠ ৬০টা পদক লাভ কৰি পদক তালিকাৰ চতুৰ্থ স্থানত আছে। আনহাতে, ১৪৭ টা সোণ, ৮১ টা ৰূপ আৰু ৪২ টা ব্ৰঞ্জৰে এই পৰ্যন্ত চীন পদক তালিকাৰ শীৰ্ষ স্থানত আছে। ৩৩ টা সোণ, ৪৪ টা ৰূপ আৰু ৪৫ টা ব্ৰঞ্জৰে পদক তালিকাৰ দ্বিতীয় স্থানত আছে জাপান। একেদৰে ৩১ টা সোণ ৩৯ টা ৰূপ আৰু ৬৩ টা ব্ৰঞ্জৰে দক্ষিণ কোৰিয়া তালিকাৰ তৃতীয় স্থানত আছে। উল্লেখযোগ্য যে টকিঅ' অলিম্পিকৰ পদক বিজয়ী অসম কন্যা লাভলীনা বৰগোহাঁয়ে এছিয়ান গেমছত আজি ছেমি ফাইনেলত অৱতীৰ্ণ হ'ব। মহিলাৰ ৭৫ কিলোগ্ৰাম শাখাত স্থান নিশ্চিত কৰি ইতিমধ্যে পদক নিশ্চিত কৰা লাভলীনাই আজি থাইলেণ্ডৰ বাইচন মানীকনৰ বিৰুদ্ধে খেলিব। অসমৰ ষষ্ঠগৰাকী খেলুৱৈ হিচাপে এছিয়ান গেমছত পদক নিশ্চিত কৰা লাভলীনাৰ বাবে আজিৰ ছেমিফাইনেলখন গুৰুত্বপূৰ্ণ বিবেচিত হ'ব, কিয়নো ফাইনেলত উপনীত হ'লে তেওঁ পেৰিছ অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰিব। ইপিনে, এথলেটিক্সত কালি মহম্মদ আজমল, ভিথ্যা ৰামৰাজ, ৰাজেশ ৰমেশ আৰু শুভা ভেংকেটেছনক লৈ গঠিত ভাৰতীয় দলটোৱে 4 x 4 মিটাৰ ৰিলেৰ মিক্সড টীম শাখাত প্ৰথমে ব্ৰঞ্জৰ পদক লাভ কৰে যদিও পিছলৈ ৰূপৰ পদকলৈ উন্নীত হয়। এই শাখাত ৰূপৰ পদক লাভ কৰা শ্ৰীলংকাৰ দলটো খেলৰ নীতিগত কাৰণত অযোগ্য বিবেচিত হোৱাৰ পিছত ভাৰতীয় দলটো ৰূপৰ পদকলৈ উন্নীত কৰাৰ সিদ্ধান্ত ঘোষণা কৰা হয়। মহিলাৰ লং জাম্পৰ ফাইনেলত এন্সি ছোজানে ৰূপৰ পদক অৰ্জন কৰে। মহিলাৰ ষ্টিপল চেজৰ ডাবল হোৰেমিৰ ৩ হাজাৰ মিটাৰ ফাইনেলত ভাৰতে ৰূপ আৰু ব্ৰঞ্জৰ পদক লাভ কৰে। কালি ভাৰতৰ মহিলা আৰু পুৰুষ স্পীড স্কেটিং ৰিলে দলটোৱে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। টেবল টেনিছৰ মহিলাৰ ডাবলছৰ শাখাত ভাৰতীয় যুটী অয়হিকা মুখাৰ্জী, সুতীৰ্থা মুখাৰ্জীয়ে ব্ৰঞ্জৰ পদক অৰ্জন কৰে।

অন্যান্য শিতানসমূহত ভাৰতৰ স্কোৱাছ খেলুৱৈ সৌৰভ ঘোষালে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত কুৱেটৰ প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে জয়লাভ কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

কাবাডীটো কালি ভাৰতে ভাল প্ৰদৰ্শন কৰে। পুৰুষৰ হকীৰ পুল-এৰ ফাইনেল খেলখনত ভাৰতে কালি বাংলাদেশৰ বিৰুদ্ধে ১২-০ গলৰ ব্যৱধানত জয়লাভ কৰে। অধিনায়ক হৰমন প্ৰীত সিঙে পেনাল্টি কৰ্ণাৰ্ছত হেট্ৰিক অৰ্জন কৰাৰ লগতে মনদীপ সিঙেও তিনিটা গল দিয়ে।

০০০০০০০০

বিশ্বকাপ ক্ৰিকেটৰ প্ৰস্তুতি মেচৰ আজি তিৰুৱনন্তপুৰমত হ'বলগীয়া এখন খেলত ভাৰত নেডালেণ্ডছৰ মুখামুখি হ'ব। গ্ৰীণফিল্ড আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া খেলখন দুপৰীয়া ২ বজাৰ পৰা আৰম্ভ হ'ব। ইপিনে

গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত বিশ্বকাপ ক্ৰিকেটৰ আজি অন্তিমখন প্ৰস্তুতি মেচত শ্ৰীলংকা আফগানিস্তানৰ মুখামুখি হ'ব। ইয়াৰ পূৰ্বে বৰ্ষাপাৰত অনুষ্ঠিত প্ৰথমখন প্ৰস্তুতি মেচত শ্ৰীলংকা বাংলাদেশৰ হাতত পৰাস্ত হৈছিল। অৱশ্যে বৰ্ষাপাৰাত আজি আফগানিস্তানে প্ৰথমখন প্ৰস্তুতি মেচত ভাগ ল'ব। ইপিনে কালি অনুষ্ঠিত মেচখন ইংলেণ্ডে বাংলাদেশক ৪ উইকেটত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি বাংলাদেশে ৩০ অভাৰত ৫টা উইকেট হেৰুৱাই ১৩৫ ৰান কৰাৰ সময়তে বৰষুণে বিঘিপথালি দিয়াত পৰৱৰ্তী সময়ত খেলখন ৩৭ অভাৰলৈ হ্ৰাস কৰা হয়। খেলখনত বাংলাদেশে ৯ টা উইকেট হেৰুৱাই ১৮৮ ৰান সংগ্ৰহ কৰে। ইংলেণ্ডে ২৪ অভাৰ ১টা বলত ৬টা উইকেট হেৰুৱাই জয়ৰ লক্ষত উপনীত হয়।

০০০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহে কেইবাটাও বাতৰি বিভিন্ন শিৰোনামেৰে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী  লোকসেৱক আৰোগ্য যোজনাৰ শুভাৰম্ভ কৰি চৰকাৰী কৰ্মচাৰী তথা পেঞ্চনাৰসকললৈ চৰকাৰে অভিলাষী উপহাৰ আগবঢ়াইছে। এই বাতৰিটো প্ৰকাশ কৰি **দৈনিক অসম** কাকতৰ শিৰোনাম – 'কৰ্মচাৰীক আত্মবিশ্লেষণৰ পৰামৰ্শ মুখ্যমন্ত্ৰীৰ'। দেশৰ ৫খন ৰাজ্যত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক দলসমূহৰ তৎপৰতা বৃদ্ধি পাইছে। **আমাৰ অসম** কাকতে 'ভোটযুদ্ধত নামিল মোদী' শিৰোনামেৰে নিৰ্বাচনৰ বাতৰি প্ৰকাশ কৰিছে। 'বজালী বিধানসভা সমষ্টিক লৈ ১১ অক্টোবৰৰ পৰা হ'ব বজালী জিলা' - এই শিৰোনামেৰে **অসমীয়া প্ৰতিদিন** কাকতে ৰাজ্যিক কেবিনেটত লোৱা এটা সিদ্ধান্তৰ বাতৰি প্ৰকাশ কৰিছে। কোৰিড-১৯ৰ বিৰুদ্ধে এম আৰ এন এ প্ৰতিষেধকৰ আৱিষ্কাৰৰ বাবে দুগৰাকী বিজ্ঞানীলৈ এই বৰ্ষৰ চিকিৎসা বিজ্ঞানৰ ন'বেল বঁটা আগবঢ়োৱা হৈছে। এই বাতৰি প্ৰকাশ কৰি **The Assam Tribune** কাকতৰ শিৰোনাম Nobel Prize in medicine for work on mRNA vaccines against COVID - এই বাতৰিটো অন্যান্য কাকতসমূহেও গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। বাগিচাৰ শ্ৰমিক-কৰ্মচাৰীলৈ সু-খবৰ কঢ়িয়াই অনা এটা বাতৰি প্ৰকাশ কৰি **নিয়মীয়া বাৰ্তা** কাকতৰ শিৰোনাম 'চাহ শ্ৰমিকক দিব ২০ শতাংশ দুৰ্গা পূজাৰ বোনাছ, শ্ৰমিকৰ মজুৰি ১৮ টকালৈ বৃদ্ধি'। অসম শক্তি বিতৰক কোম্পানীয়ে বৰ্ধিত বিদ্যুৎ মাচুলৰ নিৰিখ সংশোধনৰ এটা বাতৰি **দৈনিক জনমভূমি** কাকতে '৩০০ ইউনিটলৈ বৃদ্ধি নহয় বিদ্যুৎ মাচুল' শিৰোনামেৰে প্ৰকাশ কৰিছে। ৰাজ্যৰ চৰকাৰী বিদ্যালয়ত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কেবিনেট বৈঠকত গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হৈছে। এই সন্দৰ্ভত বাতৰি প্ৰকাশ কৰি **অসমীয়া খবৰ** কাকতৰ শিৰোনাম 'চিকিৎসা-অভিযান্ত্ৰিকত ৫ শতাংশ আসন সংৰক্ষণ'। ৰাজ্যৰ একমাত্ৰ ৰামছাৰ ক্ষেত্ৰ তথা পৰিৱেশ সংৰক্ষণশীল মণ্ডল দীপৰ বিল ক্ৰমাৎ সংকটৰ মুখলৈ গতি কৰিছে। এই সন্দৰ্ভত বাতৰি প্ৰকাশ কৰি **দৈনিক অগ্ৰদূত** কাকতৰ শিৰোনাম - 'দীপৰ বিলৰ পানী ওলোৱা-সোমোৱা পথ বন্ধ'। অসম লোকসেৱা আয়োগৰ পৰীক্ষাৰ কেলেংকাৰি তদন্তৰ বাবে গঠন কৰি দিয়া ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ প্ৰতিবেদন সন্দৰ্ভত সকলোৱে অপেক্ষা কৰিছে। এই বাতৰি প্ৰকাশ কৰি **The Sentinel** কাকতৰ বাতৰিৰ শিৰোনাম 'All eyes now on one-man commission's report'।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০০

**সমাপ্ত**